Get Printed Study Notes for UPSC Exam - https://iasexamportal.com/notes



# অসমীয়া

## প্ৰশ্নকাকত—I

( সাহিত্য )

| নিৰ্ধাৰিত সময় : 3 ঘণ্টা | সৰ্বাধিক নম্বৰ : 250 |
|---|---|

**প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নিৰ্দেশনা**

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ**

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

# ASSAMESE

## PAPER—I

( LITERATURE )

| Time Allowed : Three Hours | Maximum Marks : 250 |
|---|---|

**QUESTION PAPER SPECIFIC INSTRUCTIONS**

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.



Download FREE UPSC E-BOOKS FREE! CLICK HERE

Get Printed Study Notes for UPSC Exam - https://iasexamportal.com/notes

## SECTION—A

**1.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) অসমীয়া ভাষাৰ উদ্ভৱৰ কাল নিৰ্ণয় কৰি ইয়াৰ বিকাশৰ গতিধাৰা সম্পৰ্কে বিৱৰি লিখাঁ।

(b) চৰিত পুথিৰ গদ্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

(c) অসমীয়া ভাষাৰ স্বৰধ্বনি (Vowel phonemes) কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী স্বৰধ্বনিসমূহৰ তালিকা প্ৰস্তুত কৰি দেখুওৱাঁ।

(d) অসমীয়া ভাষাৰ প্ৰধান উপভাষা কেইটা আৰু কি কি? ড০ বাণীকান্ত কাকতিয়ে উল্লেখ কৰা অনুসৰি ইয়াৰ সংক্ষিপ্ত বিৱৰণ দাঙি ধৰাঁ।

(e) অসমীয়া লিপিৰ ইতিহাসৰ এক ৰূপৰেখা দাঙি ধৰাঁ।

**2.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ ভৌগোলিক ক্ষেত্ৰ নিৰূপণ কৰি প্ৰত্যেকৰে পাঁচোটাকৈ ভাষাগত বৈশিষ্ট্য নিৰূপণ কৰাঁ। 20

(b) অসমীয়া ভাষাৰ ক্ৰিয়ামূল (Verb root) বা ধাতুৰ উৎস বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰাঁ। 15

(c) অসমীয়া শব্দ-সম্ভাৰৰ অন্তৰ্গত তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দৰ প্ৰয়োগ উদাহৰণৰ সৈতে লিখাঁ। 15

**3.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অসমীয়া গদ্যৰ ইতিহাসত শঙ্কৰোত্তৰ কালৰ গদ্যৰ অৱদানৰ বিষয়ে বিৱৰি লিখাঁ। 20

(b) অসমীয়া নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ সূত্ৰ নিৰ্ণয় কৰি যি কোনো দহটা প্ৰত্যয়ৰ প্ৰয়োগ দেখুওৱাঁ। 15

(c) অসমীয়া ব্যঞ্জনধ্বনি (Consonant phonemes) কেইটা আৰু কি কি? যি কোনো পাঁচোটাৰ আদি আৰু মধ্য স্থানত হোৱা প্ৰয়োগ দেখুওৱাঁ। 15



Download FREE UPSC E-BOOKS FREE! CLICK HERE

Get Printed Study Notes for UPSC Exam - https://iasexamportal.com/notes

**4.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অসমীয়া ব্ৰজাৱলী বা ব্ৰজবুলি ভাষাৰ বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰি ইয়াৰ ৰচনাৰ কাল সম্পৰ্কে আলোচনা কৰাঁ। 20

(b) বুৰঞ্জী সাহিত্যৰ ৰচনাকাল নিৰ্ণয় কৰি ইয়াৰ গদ্যৰ এক চমু আলোচনা আগবঢ়োৱাঁ। 15

(c) আহোম যুগৰ অসমীয়া লিপি সম্পৰ্কে বিৱৰি লিখাঁ। 15

## SECTION—B

**5.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) অসমীয়া সমালোচনা সাহিত্যৰ এক সংক্ষিপ্ত বিৱৰণ দাঙি ধৰাঁ।

(b) অসমীয়া সমালোচনা সাহিত্যৰ ইতিহাসত বাণীকান্ত কাকতিৰ স্থান নিৰ্ণয় কৰি চমু আলোচনা আগবঢ়োৱাঁ।

(c) প্ৰাক্-শঙ্কৰী যুগৰ যি কোনো এজন কবিৰ কাব্য-প্ৰতিভাৰ আভাস দাঙি ধৰাঁ।

(d) আধুনিক অসমীয়া কাব্য-সাহিত্যৰ যি কোনো এজন কবিৰ কাব্যকৃতিৰ পৰ্যালোচনা কৰাঁ।

(e) নাটকৰ পঞ্চসন্ধি বুলিলে কি বুজা, বিৱৰি লিখাঁ।

**6.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অঙ্কীয়া নাটৰ প্ৰধান বৈশিষ্ট্যকেইটা কি কি, উদাহৰণৰ সৈতে লিখাঁ। 20

(b) 'চৰ্যাপদ'ৰ ৰচনাকাল সম্পৰ্কে উল্লেখ কৰি ইয়াৰ ভাষাৰ বৈশিষ্ট্য নিৰূপণ কৰাঁ। 15

(c) 'আৱাহন যুগ'ৰ তিনিজন গল্পকাৰৰ গল্পৰ চমু আলোচনা আগবঢ়োৱাঁ। 15

**7.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) শঙ্কৰোত্তৰ যুগৰ ব্যৱহাৰিক জ্ঞানশাস্ত্ৰমূলক সাহিত্যৰ বিষয়ে ফঁহিয়াই আলোচনা কৰাঁ। 20

(b) 'সমালোচনা সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগৰ ক্ষেত্ৰত পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ'—এই বিষয়ে এক আলোচনা যুগুত কৰাঁ। 15

(c) 'অসমীয়া শিশুসাহিত্যলৈ বেজবৰুৱাৰ অৱদান'—এই বিষয়ে এক আলোচনা দাঙি ধৰাঁ। 15



Download FREE UPSC E-BOOKS FREE! CLICK HERE

Get Printed Study Notes for UPSC Exam - https://iasexamportal.com/notes

**8.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* অসমীয়া উপন্যাসৰ ইতিহাস বিচাৰ কৰি এটি আলোচনা যুগুত কৰাঁ। 20

*(b)* সমালোচনা সাহিত্যৰ উদ্দেশ্য আৰু স্বৰূপ সম্পৰ্কে আলোচনা কৰাঁ। 15

*(c)* 'অৰুণোদয় যুগ'ৰ অসমীয়া সাহিত্যই কেনেধৰণৰ পৰিৱৰ্তন আৰু নতুনত্ব কঢ়িয়াই আনিলে, বিৱৰি লিখাঁ। 15

★ ★ ★



Download FREE UPSC E-BOOKS FREE! CLICK HERE